# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-10-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

ঐশ্বৰ্য বিভূতিৰ কামনাৰে আজি ৰাজ্যত ধন আৰু সৌভাগ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা কৰা হ'ব। পঞ্জিকা অনুসৰি আজি নিশা ৮ বাজি ৪০ মিনিটৰ পৰা লক্ষ্মী পূৰ্ণিমা তিথি আৰম্ভ হৈ কাইলৈ বিয়লি ৪ বাজি ৫৫ মিনিটত সমাপ্ত হ'ব। গুৱাহাটী মহানগৰীতো বিস্তৃত কাৰ্যসূচীৰে লক্ষ্মী দেৱীৰ পূজা-অৰ্চনা কৰা হ'ব। এই উপলক্ষে বজাৰসমূহত লক্ষ্মী দেৱীৰ মূৰ্তিৰ লগতে পূজাৰ সামগ্ৰীৰে ভৰি পৰিছে। প্ৰতিবছৰৰ দৰে এইবাৰো ৰাজ্যৰ প্ৰান্তে প্ৰান্তে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাৰ লক্ষ্মী মন্দিৰসমূহত ধন আৰু ঐশ্বৰ্যৰ দেৱী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। ঠাই বিশেষে ৩ৰ পৰা ৭ দিনীয়া কাৰ্যসূচীৰে এই পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ পৰম্পৰাগত ৰীতি-নীতিৰ লগতে বিভিন্ন প্ৰতিযোগিতা, নাট প্ৰদৰ্শন, মেলা আদিও অনুষ্ঠিত হ'ব।

00000

নদীদ্বীপ মাজুলীতো আজি ধন আৰু ঐশ্বৰ্যৰ দেৱী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। নামঘৰ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দোকান-বজাৰ আদিত পৰম্পৰাগত ৰীতি-নীতিৰে লক্ষ্মী পূজা পালন কৰাৰ লগতে বহু ঠাইত ভাওনাও প্ৰদৰ্শন কৰা হ'ব।

00000

শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত বিগত বছৰসমূহৰ দৰে আজি লক্ষ্মী পূৰ্ণিমাৰ দিনটোত শিৱসাগৰত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মদিন উদ্‌যাপন কৰা হয়। এই উপলক্ষে শিৱসাগৰৰ লক্ষ্মীনাথ বেজবৰুৱা শিশু উদ্যানত অসমীয়া ভাষা সাহিত্যৰ কাণ্ডাৰীগৰাকীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি বেজবৰুৱাৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয়। অসমীয়া সাহিত্যৰ সকলো ক্ষেত্ৰকে চহকী কৰি যোৱা সাহিত্যৰথীগৰাকীৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি বেজবৰুৱা পৰিয়ালৰ হৈ অৰুন্ধতি বেজবৰুৱাই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত জিলা ছাত্ৰ সন্থাই ২০২৪ বৰ্ষৰ লক্ষ্মীনাথ  বেজবৰুৱা বঁটাৰ বাবে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট কবি সাহিত্যিক কুল শইকীয়াক প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। এই অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ সংগঠনটোৱে ৰাজ্য চৰকাৰক সাহিত্যৰথিৰ কৰ্ম আৰু তেঁওৰ স্মৃতি বিজড়িত প্ৰতিটো সম্পদ সঠিকভাৱে সংৰক্ষণ কৰি নৱ প্ৰজন্মক তেওঁৰ লগত সংলগ্ন ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়াৰ গুৰু দায়িত্ব গ্ৰহণ কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লোৱাৰ বাবে আহ্বান জনায়। এই সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে এইদৰে কয়।

**ভইচ**

00000

কাইলৈ কাতি বিহু। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি, আকাশবন্তি জ্বলাই কৃষিজীৱী ৰাইজে আশীৰ্বাদ গ্ৰহণ কৰিব। সমগ্ৰ ৰাজ্যৰ লগতে গুৱাহাটী মহানগৰবাসীয়েও কাতি বিহু পালন কৰিবলৈ সাজু হৈছে। উল্লেখযোগ্য যে মহানগৰীত বাস কৰা নৱপ্ৰজন্মক অসমীয়া জাতিৰ চহা জীৱনৰ পৰম্পৰাৰ সৈতে পৰিচয় কৰাই দিবলৈ বৃহত্তৰ গুৱাহাটী বিহু সমন্বয় সমিতি আৰু খাৰঘূলী বিহু সন্মিলনে বিশেষ উদ্যোগ গ্ৰহণ কৰিছে। সেই উপলক্ষে কাইলৈ খাৰঘূলী বিহুতলিত সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলনেৰে বিহুৰ শুভাৰম্ভ কৰা হ'ব আৰু ইয়াত ধাননী পথাৰ, জুপুৰী ঘৰকে ধৰি অসমৰ চহা জীৱনৰ সঁজুলিসমূহ প্ৰদৰ্শন কৰা হ'ব। এই অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে মেয়ৰ মৃগেন শৰণীয়া, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি বহুসংখ্যক গণ্য-মান্য বক্তি উপস্থিত থাকিব।

অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বিবৃতিযোগে শ্ৰী আচাৰ্যই কয় যে, যিহেতু অসমৰ এটা কৃষি সংস্কৃতি আছে আৰু ৰাজ্যখনৰ বৃহৎ সংখ্যক জনসাধাৰণ কৃষিৰ ওপৰত নিৰ্ভৰশীল, সেয়েহে কাতি বিহুৰ গুৰুত্ব অপৰিসীম। এই বিহুত তুলসীৰ তলত জ্বলোৱা মাটিৰ চাকিয়ে তুলসীৰ সৈতে আমাৰ অন্তৰ্নিহিত সম্পৰ্ক পুনৰাবৃত্তি কৰে। অসমীয়া সমাজৰ চহকী উত্তৰাধিকাৰক আগুৱাই নিয়াৰ বাবে তেওঁ সকলোকে বিহু উদযাপন কৰিবলৈ আহ্বান জনায়।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে ৪৪৬ বিধ পখিলাৰ প্ৰজাতিৰে দেশৰ দ্বিতীয়খন পখিলাৰ বৈচিত্ৰ কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে। অৰুণাচল প্ৰদেশৰ নামদফা ৰাষ্ট্ৰীয় উদ্যানৰ পাছতে কাজিৰঙাৰ এই স্থান দখলে পখিলাৰ বিভিন্ন প্ৰজাতিৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰে হৈছে। যোৱা ২৭ ছেপ্তেম্বৰৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হোৱা পখিলা সংৰক্ষণ সন্মিলন ২০২৪ৰ সময়ছোৱাত কাৰ্বি আংলং আৰু কাজিৰঙাৰ বিভিন্ন স্থানত বিশেষকৈ পানবাৰী সংৰক্ষিত বনাঞ্চলত মুঠ ৮৫ বিধ পখিলা প্ৰজাতিৰ পৰ্যবেক্ষণ কৰা হৈছিল। কাজিৰঙাত পখিলা সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে সজাগতা বৃদ্ধিৰ কৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা এই সন্মিলনে অঞ্চলটোত পখিলা প্ৰজাতিৰ সমৃদ্ধ বৈচিত্ৰৰ ওপৰত আলোকপাত কৰি এইক্ষেত্ৰত অধিক গৱেষণা, নিৰীক্ষণ আৰু সুৰক্ষা সন্দৰ্ভত লোৱা বিভিন্ন ব্যৱস্থাসমূহ শক্তিশালী কৰি তোলাত গুৰুত্ব আৰোপ কৰে।

ইপিনে বৰ্তমানলৈকে কাজিৰঙালৈ ১১ হাজাৰ ৪৫ গৰাকী দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটিছে বুলি উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। দৰ্শনাৰ্থীৰ বাবে মুকলি কৰাৰ মাত্ৰ ১৫ দিনৰ ভিতৰতে ২৪ লাখতকৈও অধিক টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। কেৱল জীপ ছাফাৰীৰ জৰিয়তে বন বিভাগে দেশী-বিদেশী পৰ্যটকৰ পৰা এই ৰাজহ সংগ্ৰহ কৰিছে। অহা ১ নৱেম্বৰত ৰাষ্ট্ৰীয় উদ্যানখনত হাতীৰ ছাফাৰী আৰম্ভ কৰা হ'ব।

ooooo

সমাপ্ত